# দৰবাৰ।

শ্রীবেণুধৰ ৰাজখোৱা, বি-এ।

# দৰবাৰ।

( ৰজাৰ অভিষেক উপলক্ষে ধেমেলীয়া নাট। )

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.

শ্রীযুত বেণুধৰ ৰাজখোৱা, বি-এ,
দ্বাৰা ৰচিত।

—০:-*-:০—

১৯০২ সাল।

শ্রীভুবনেশ্বৰ দুৰৰাৰ দ্বাৰা প্ৰকাশিত।
গোলাঘাট।

প্ৰথম তাঙ্গৰণ

GOVERNMENT OF ASSAM.
Call No...............
DISTRICT LIBRARY.

কলিকতা,
৬ নং কলেজ-স্কোয়াৰ, সাম্য-যন্ত্ৰে,
শ্রীনিবাৰণচন্দ্ৰ ঘোষৰ দ্বাৰা
ছাপা হ'ল।

## ২য় দৰ্শন ।

ঘৰ ।

( চাৰি জন গাৱলীয়া অসমীয়াৰ প্ৰবেশ । )

প্ৰথম ।—তাৰৈ, খৰপোচ্ কৰ, বেগতে খা ; আজি মহাৰাণী ৰজা হব ।

দ্বিতীয় ।—ধেইক্ কটা ! মেহেৰাণীৰ ঝীয়েক হে ৰজা হবঁ । ই নিচেই মুলুং ।

প্ৰথম ।—তাৰৈ, মেহেৰাণী ৰজা ভাগিল না কি ? মিলো কলৈ গল ?

দ্বিতীয় ।—এইটো মেলেছব পো । মেহেৰাণী মৰিল, তই হবলা কথাটো ট ; কৰাই নাই ?

তৃতীয় ।—মেহেৰাণী বোলে আকৌ অমৰ, এতিয়ানো মৰিল কিহৰ জগৰত ?

দ্বিতীয় ।—এৰা, মোমাই, তেৰঁা চলিল, মৰিব নো কি । তুমি আমি নে কিবা মৰিম ।

চতুৰ্থ ।—এ, ভিনিহি, টিকিৰা পণ্ডিতে কৈছিল, তেওঁ হেনো হোঁ-হৰীলে বৈকুণ্ঠলৈ গল ।

প্ৰথম ।—হোঁ-হৰীলে নো কি বুলিলি ?

চতুৰ্থ ।—নমৰাকৈ লাঙ্গেঁ-লাঙ্গেঁ বৈকুণ্ঠলৈ গল ।

প্ৰথম ।—বৈকুণ্ঠ খন যমপুৰীৰ লেখীয়া না কি ?

চতুৰ্থ ।—নহয় অ, তাত্‌কৈ নেলাগে স্বৰ্গত্‌কৈও বাৰু ।

প্ৰথম ।—আমাৰ ৰংপুৰ জিলাখনৰ লেখিয়া চাগৈ, নহয় না ককাই ?

তৃতীয় ।—ৰংপুৰ নো কি, ডিবৰু খনত্‌কৈ বেচ্ পাই ।

তই জনা হে নাই।

দ্বিতীয়।—আমাৰ টিকিৰা পণ্ডিতৰ গাত বিচৌ বিচৌ গুণ আছে পাই। হোঁ-হৰীলে বৈকুণ্ঠলৈ যোৱা কথাটো মোৰ মনে ধৰিছে। তেওঁ মিছা কথা নকয়।

প্ৰথম।—ই, কেনৈ নকয় অ পুঠাও। হিদিনা মই পান এবিৰা গুণাই-ছিলুং, নিচুং যা বুলি কলে পাই। হেইটো মিছা কথা নহল না ?

তৃতীয়।—এৰা মিছা নুবুলিলো আৰু তাক কি বুলিব পাৰিবি। গপ বুলিবলৈও, মোৰ পভু দেৱক চিন্তি, তাৰ ঘৈণীয়েক জনী যেনেহে চোকা, হি কি গপ কৰিব।

চতুৰ্থ।—টিকিৰা পণ্ডিতে মিছা কথা নকয়, মই নপতিয়াং। হাস্তৰ্ ভাগৱত তেনেই তাৰ মুখতে লি-লি কৰি থাকে পাই, মুখ মেলিলেই হোপাই ওলাই আহে। কাণখোৱা পুথিখন এমুৰৰ পৰা গাবলৈ ধৰিলে ৰাইথ্ নাইকিয়া হয় নহয়—দেখা নাইনা, মানুহটো এহাতলৈ কেনেকৈ উঠি উঠি বহে।

প্ৰথম।—মোহা, হি কি হঁচা মানুহটো ওলাইছে। মোৰ গাঠিত তামোল এবিৰা আছিলেই, পান এটাকে নিদিলে।

চতুৰ্থ।—তই একো নেজান অ' !

প্ৰথম।—তই ছলপাই গৈছ না কি, ইমান টান কথা কৈছ। নিচাওৱে নেদেখিছিলি মুলুং মেলেছৰ পো হে বুলিছিল, তেও একো নেজান বুলি কোৱা নাই। তই বৰ নিৰ্গত মানুহ পাই।

চতুৰ্থ।—গোট-কাঠ, নেজান বুলিলেই লাজ পা। চাপৰি পাই ছল বাইছ। কটা বন্দী !

প্ৰথম।—হঁচাই কৈছ না, আহ, ককালে ককালে লাগুং।

দ্বিতীয়।—আবৰী মানুহৰ দৰে দন্দ পাতিবলৈ আহিছ না। এই দৰে থাকু; তে হিপিনে দৰবাৰ ভাগিবই। পোলতে আকৌ ইয়াৰ হে খৰপোছ টো টান হৈছিল। হেৰ অঁকৰা, তালৈ গলে কিবা হন্দেহ, কিবা জেলেপ-লেপি, কি নাম পধ্যো লাৰু, এইবোৰ বাৰু বাৰু মিঠে খাবলৈ পাবি।

## ৰাগিণী পিলু—তাল যৎ।

প্ৰথম।—

দ্বন্দ ভাগিল তাৰৈ আমাৰ গাঠিটো মেল্ বাৰু।
ছালি এখন চোবাই ঘাং মুখখন গুছিল আৰু।
তাৰৈ কোবাকুবি বল, তেহে পাম গৈ ৰজাৰ মেল,
পেট ভৰাই খাব পাম হান্দ, পিঠা, লাৰু।



## দ্বিতীয় অঙ্ক।

### ১ম দৰ্শন।

জুপুৰি ঘৰ।

(এজন কছাৰীৰ প্ৰবেশ।)

গীত।

কছাৰী।—

ফাই থাংনি ফাই, আদা, নানি, দৰবাৰ মুহুৰগণ।
গবাং গবাং গেদেৰ গেদেৰ মান্‌সি ফাইগণ।
বুৰৈ গেজা গথো ফোৰ, মা থালাম্‌গণ মুংচোৰ,
নাইনি নাইনি গাহাম মন্‌গন্ মানেই মগন—
গুফুৰ গুচুম গজাং হি, গবাং লাব্‌গণ,
মুসনো ৰজনো মান্‌সি গবাং ফাইগণ।

[প্ৰস্থান।

# দ্বিতীয় দৰ্শন।

## বাট।

( তিন জন পৰগণীয়াৰ প্ৰবেশ। )

প্ৰথম।—তুহ্‌না হাঠিৰ নৰাহ্‌ যদি আহিছাহ কিয়া, পুত্‌থা। দষবাৰ চাবালাগি, তুহ্‌না হেলা কৰ্ব্বা ধৰ্চ্ছি। সঁহয় যাওঁ মানে বেলি ভাঠি দিব।

দ্বিতীয়।—গেইছু দিয়া। থংকৰা কিয়া। খুজ কাৰিবানক, কি কৰিমহে। পাম যাই দিয়া। ৰাইজ মেগেলে নো দৰবাৰ কেন্‌কে হব। তাহোন আমাক লাগি ৰখি থাকুব।

তৃতীয়।—তাহোন ইমান কথা জান্‌বা নৰ্ব্বনা ? ৰাইজগিলা নো ভাত-পানী নাথ্‌বনা ? জাৰমাহা বেলি থচ্‌ কৰি যায়; থাই উঠিলি কি বেলি হিপাৰ হব।

দ্বিতীয়।—তিৰীটো চপ্‌কে ভাত ৰান্ধ্‌ব যাব না ? বাবু থানে ইমান কথা জানান্‌বনা। তাহ্‌নাৰো তিৰী আছে, বেলা নোহায় দিয়া।

প্ৰথম।—তাহ্‌নাৰ তিৰীগিলা বৰচোখা। ৰাতি থাকাতে উঠ্‌ব, ভাত ৰান্ধব, বাবুথানে ১০ বাজিলেই কাছাৰিক যাব। তুহ্‌না কথা পাছে কবি। এতিয়া যাওঁ আহ্‌।

দ্বিতীয়।—ভিঠিমৰা বাবুথানে দাতিকুৰি মাৰলাক্‌। যা, তই আগেই যা; আমি পলম্‌কে যাম।

[ প্ৰথম জনৰ প্ৰস্থান।

তৃতীয়।—আজি আমাৰ নতুন ৰজা হৰ, ৰং কৰ্ব্বা লাগে।


PLEASE HANDLE THE BOOK CAREFULLY



ৰাগিণী জংলা—তাল খেমটা।

উপকাৰ্ কৰি হাত দুখান ভাই নাচ্ কৰা হেদিয়া।
নাচিবা নাজনা যদি ভাই মৰি নেযাহ্ কিয়া।
মোৰ দৰে চাই চাই, কোকাল ঘূৰাবি ভাই,
পাছে হলি লাজ পাবি, শিখিল ইতিয়া।

[ দুইৰো প্ৰস্থান।



# তৃতীয় অঙ্ক।

## ১ম দৰ্শন।

### বাট।

( এজন নেপালী আৰু এজন নেপালী গাভৰুৰ প্ৰবেশ। )

[ নেপালীয়ে গীত গায় আৰু গাভৰুৱে নাচে। ]

### গীত।

নেপালী।—

দৰোৱাৰ হেৰ্‌নে যাওঁ, ডবল্ ডবল্ হিন হো,
ফুৰ্ত্তি মেৰো সাক্ষী প্যাৰা।
খেল তামাসা ঢেৰই ইঞ্চ, খুব জাতি জাতি,
আঁখিয়েৰ হেৰিয়েৰ খুসী হঞ্চ ছাতি।
বাম্‌ৰ বাম্‌ৰ তৰুণী হেৰ আয়কচ দৰোবাৰ।
তিনি হেৰকো কমৰ হিল্‌চ, ক্যায়সা মজাদাৰ।

[ দুইবো প্ৰস্থান।

## দ্বিতীয় দর্শন।

### দৰবাৰৰ ওচৰৰ ঠাই।

( এজন কাবুলীৰ প্ৰবেশ।

### খাম্বাজ—ঠেচ্ কাওৱালি।

কাবুলী।—

খাস্ কাবুল কা মিঠা ফল খা লেও বেদম ;
পেস্তা মেৱা খিস্মিস্ সোহোৰা বাদাম।
আখ্ৰাট্ বেদানা ফল, আঙ্গুৰ লে লেও বিল্‌কুল্,
দৰবাৰ ওৱালা সব জোৱান হো যায়েগা একদম।

( এজন অসমীয়াৰ প্ৰবেশ। )

কাবুলী।—( হাতত ধৰি ) পয়সা নিকাল। কেত্তা মহিনা হুৱা, দাম দেনেকা খিয়াল নেহি হায়। বেইমান্, ইস্ বখত পয়সা দেও। নেহি ছোড়েঙ্গে।

অসমীয়া।—( মনে মনে ) হাঁ ভৈয়াই, আজি যমদূতৰ হাতত পৰিলোঁ। ইমান দিন টাগ্‌বাগ্‌কৈ ফাঁকি দি ফুৰিছিলোঁ, আজি দৰবাৰ চাবলৈ আহি ধৰা পৰিলোঁ। ( ফুটাই ) কাবুলী চাহাব, তোমাকে ইয়াতে পাম বুলি হাম মালুম কৰা নাই। নহলে ৰূপিয়া আনিলোঁহেঁতেন। তুমি মোক কথাবাৰ্ত্তা নোকোৱাকৈ হাতমে ধৰিলা কেলৈ? মই বামুণৰ স্টো, এইঠো লগুণ চোৱাঁ। অজাতিয়ে ছুলত এতিয়া মোৰ পৰাচিত লাগ্‌গিয়া। চাৰি ধেনু পৰাচিত লৈলগা। সেই ধন আজি তুমি দিব নে? ৰাম, ৰাম, তুমি খেৰাপ কাম কৰিলে।

কাবুলী।—তোম্ মতোৱাল হ্যায়। ভৰ্ ভৰ্ ভৰ্ ভৰ্ কিয়া বাত বতিয়াওতা? কুছ্ সমজ্‌তা নেহি। যব পাকৰ গিয়া, নেহি ছোড়েঙ্গে।

অসমীয়া।—( মনে মনে ) সৰ্ব্বনাশ, এটা বুধি কৰোঁ। এটা চিঞৰ মাৰি দিওঁ, তেতিয়া সি এৰি দিব। সিমানতো নেৰিলে, টানকৈ এটাহ পাৰি দিম। তেতিয়া পুলিচ্ আহি কি হৈছে বুলি সুধিলে, কাবুলীয়ে মোৰ কাপোৰ কানি কাঢ়ি লব খুজিছে বুলি কৈ দিম। আৰু অলপ চিঞৰিলেই আজি সি এৰি দিব—দৰবাৰত হাই কৰিবৰ হুকুম নাই। ( চিঞৰি চিঞৰি ) এৰি দেঐ! মৰিলোঁ ঐ!

কাবুলী।—( ভয় ভয় কৈ ) বড়া সয়তান হ্যায়। দেখ, চুপ ৰহ। তোম কাল জৰুৰ পয়সা দেওগে ?

অসমীয়া।—( কাওবাও কৈ ) খোদাওন্দা, কাইলৈ দিম। তুমি ভয় নকৰিবা। লাগ যদি লগুণ ডালকে আজি বন্ধক থৈ যাওঁ।

কাবুলী।—তোমাৰ বাত্ ঝুঠা হোনেসে, ফিন্ ভেট হোগা ত জান লে লেগা। বড়া সৰমকা বাত্। তোমকা ইমান্, ধৰম্ নেহি হ্যায় ?

অসমীয়া।—( কঁপি কঁপি ) ইমান ফেৰা ধৰম কেলৈ নহব। কাইলৈ দিম।

কাবুলী।—চলা যাওঁ।

[ অসমীয়াৰ হাত এৰি দিগুচি যায়।

অসমীয়া।—কোনো মতে তেও সাৰিলোঁ। আৰু সি মোৰপৰা ৰূপ পাব, সেইটি কথা ( মূৰ জোকাৰি ) ও হোঁ হোঁ।

[ প্ৰস্থান।

# চতুৰ্থ অঙ্ক।

## প্ৰথম দৰ্শন।

পৰ্ব্বত।

( কেইজন মান খাছিয়া খাছিয়ানীৰ প্ৰবেশ )

ৰাগিণী আদ্দা—তাল ঠেচ্ কাওৱালি।

ইয়া মনটা লাইত দৰবাৰ, মাঙ্গা চুঙ্গৌভা।

হা; তাই ইৰৱিও কিনিয়া ৰে'ৱাই, শেয়াত্ বাভা বাভা।

আলে কলই বা কং, ওৱাত্ ছেলেম্ কহেপ্ ককং,

উঠিন্ জছ্পং উন্‌ফং হেন্‌নে, ইতে নাট্ হক্ মনছ্নিম্ জুঙ্গঁা।

---

## দ্বিতীয় দৰ্শন।

নেৰদাতি।

( এজন মিৰি আৰু এজন অসমীয়াৰ প্ৰবেশ।)

ৰাগিণী জঙ্গলা—তাল কাশ্মীৰী।

মিৰি।—

কঙ্কাই, চাপি না তই মেল?

চৰ্কাৰৰ উকুম ঐছে, অব কিবা কেল।

মানু যাব জাক জাক,　　　কত মিছিং কত মিপাক্,
বাগি-বুঅৰি যাব পৰ্জা, অব লেল্ পেল্।

মিৰি।—কঙ্কাই, কিবা মেল অব, তই যাবি না ?
অসমীয়া।—এৰা, যাম পাই। তইও যাবি নে কি ?
মিৰি।—আমাৰ গামে কবৰ দিছে, চব মানু যাব লাগে। তাত নো কি অব, কঙ্কাই কব পাৰ না ?
অসমীয়া।—তাত নাচ, গান বহুত কিবাকিবি হব।
মিৰি।—আমাৰ গাবক নাচিব না ?
অসমীয়া।—নহয়, কলিকতাৰ পৰা ভাল নাচনী আহিছে।
মিৰি।—এ, মিছা কথা, আমাৰ মিৰিয়নীৰ মান কোনাৱে নাচিব নোৱাৰে। আমাৰ মিৰিয়নী হঁতে, কঙ্কাল ছিঙ্গি যাব, তেও নাচিব নহয়। তই পাৱতী গাবকক চিনি পাৱ না ?
অসমীয়া।—নেপাও, কেলৈ নো সুধিছ ?
মিৰি।—তাইৰ সমান কোনে নাচিব পাৰে, চাওঁচোন। কলিতা নে লাগে তাতোকৈ ভাটিয়লীয়া গুৱাআটী চহৰৰ নাচনী আহিলেও, আমাৰ উজনিয়াল মিৰিয়নী গাবকক চেৰ পেলাব নোৱাৰে।
অসমীয়া।—তহঁতে কলিকতীয়া নাচনী নাই দেখাদেখি হে এই দৰে কৈছ। তহঁতৰ মিৰিয়নীয়ে সিহঁতৰ জোৰ কি পাব।
মিৰি —তই জানো আমাৰ নৰাছিঙ্গা বিহুত, পাৱতী গাবকৰে নচা দেখিছ ? তাইৰ জোৰ কোনে লব পাৰে ? তহঁতৰ ইন্দু তাইৰ ঠেং-তলে যক।
অসমীয়া।—কি মৰিবৰ চিন হল্! কেনেকৈ কথা পাতিব লাগে, তাকো নেজান ? হিন্দুৱে মিৰিয়নীৰ ঠেং-তলে যাব ?

মিৰি।—বাৰু, চাই থাকিবি। মোৰ কথা এতিয়া নেমান। যেতিয়া দেখিবি, তেতিয়াহে গুণিবি, আমুকাৰ কথাটো মিছা নহয়।

অসমীয়া।—তোৰে সৈতে কোনে কথা পাতে, পাই। আহ্ আহ্, দৰবাৰলৈ যাবলৈ আহিছ যেতিয়া ভাল-বেয়া দেখিবিয়েই নহয়। ইয়াত তকৰাৰ কৰাৰ কি লাভ?

মিৰি।—হয়, বল কঙ্কাই।

[ দুইৰো প্ৰস্থান।



# পঞ্চম অঙ্ক।

## প্ৰথম দৰ্শন।

বাট।

( দুইজন বঙ্গালীৰ প্ৰবেশ। )

বঙ্গালী।—

গাৱা খাম্বাজ—তাল গড় খেম্‌টা।

কত মজা দৰবাৰেতে দেখ্‌ব সাৰাদিন।
নেচে নেচে যাব মোৰা, তেৰে-কেটে ধিন্।
ৰঙ্গ ৰসে অঙ্গ ঢেলে, তালে তালে পা' ফেলে,
মনাগুনে হেলে দুলে, দিব কেৰাসিন।

[ প্ৰস্থান।

## দ্বিতীয় দৰ্শন।

দোকান ঘৰ।

( দুজন মাৰোৱাৰীৰ প্ৰবেশ। )

প্ৰথম।—ভুৰমল্ জী, দৰোৱাৰ চালা চালো। দৰোৱাৰ মে বহুত ধুম্‌ধাম্ হৰিও হে।

PLEASE HANDLE THE BOOK CAREFULLY.



দ্বিতীয়।—বঠে আপ্‌নে ঘনেই জিনিস্ বিক্রি হৈছিকে? ফায়দে কি জাগা হ্যায় কি নেই?

প্রথম।—বঠে জিনিস্ বিক্রি কনি হুৱে। ৰাজা কি সনদ্ আয়ো হে, থেকো দেখ্‌বা নে চালো। খ্যাল তামাসা হৈছি, থেকো দেখ্‌চাঁ।

দ্বিতীয়।—খ্যাল্ তামাসা কঠ্‌টো মাঙ্গায়ো হে? আপ্‌নে দোকান মে ঘনেই ফট্‌কা হ্যায়।

প্রথম।—কল্‌কতাসে মাঙ্গায়া। চালো চালা।

---

## গীত।

এ ম্যায় তো যাইসাঁ ৰাজ-দৰোৱাৰ মে।
ৰাজ-দৰোৱাৰ মে হাজাৰো নে আদমি যাসিঁয়ে।
ৰাজা জীনে কোন্ কোন্ হুকুম ফর্ম্মাতায়ে,
যেকাৎ ম্যায় শোনসাঁয়ে।

[ দুইবো প্রস্থান।

# ষষ্ঠ অঙ্ক।

## প্ৰথম দৰ্শন।

ঘৰ।

( এজন মণীপুৰিয়াৰ প্ৰবেশ। )

মণিপুৰীয়া—

গীত।

লিঙ্গ থৌকে দৰবাৰ ঙসি তাদা অইগ্নি।
ইয়াথৈ থগপা তিনাদানা জগৈ মানগ্নি।
দৰবাৰ ইয়াম্মা সানগ্নি, জগৈ সানবি ইসৈ সাক্নি,
থুনা চল, থেংগ্নুঃ, কুমেই ইয়াংগিনি।

[ প্ৰস্থান।

## ২য় দৰ্শন।

দৰবাৰৰ ওচৰৰ ঠাই।

( এজন ছিলটীয়া মিঠাইওৱালাৰ প্ৰবেশ। )

গীত।

( খেমৃটা। )

ছিলটীয়া—

কিত্তা কৰনিৰে বাই,
চলনাৰে দৰবাৰে যাই।

কত খেলা তাম্‌সা দেখমু।
লুচি-পুৰি কত খাইমু ॥
জল্‌দি কৰে আ'ৰে বাই,
দেখ্‌মু খপ্‌সুৰত বাই।
বাল বাল গান গাইছে,
দিল্ বড় খুসী অইছে ॥
মজা কৰে দেখ্‌মু বাই, ঠেই ঠেই ঠেই।
তাক্ ধিনা ধিন্, তাক্ ধিনা ধিন্, তাক্ ধিনা ধেই ॥

---

( ৭ভন বজকনা লবাৰ প্ৰবেশ । )

ছিলটীয়া।—মিঠাই খাইছিলা কেন? এখন পয়সা দিবাৰ টানাটানি

লৰা।—আৰে মিঞা!

ছিলটীয়া।—মিঞা, মিঞা কৰস্ কেন্?

লৰা।—মুন্সী জী।

ছিলটীয়া।—আৰে তুই বড় আহাম্মুক্।

লৰা।—মৌলবী চাহাব।

ছিলটীয়া—তুই কেমন সয়তান ছাইলা। আমি বামুণেৰ জাত, জানস্ না। আমি ত নেড়িয়া না।

লৰা।—ঠিক্, ঠিক্, পাহৰিছিলোঁ অ'। ঠাকুৰ, তোমাৰ নচিব ভাল। মই বাগিচাত মহৰি কামত ভৰ্ত্তি হৈছোঁ। ফেব্ৰুয়াৰি মাহৰ পহিলা তাৰিখৰ পৰা কাম কৰিমেই। তেতিয়া তুমি মোক ৰোজ ৰোজ মিঠাই দিব লাগিব। ৰসগোল্লা, সন্দেশ, জেলেপি চব্ মিলাই আমাৰ ঘৰত ৰোজ এক "সেৰ" এক "সেৰ" দিব লাগিব। দিব পাৰিবা জানো?

ছিলটীয়া।—(মনত ৰং পাই) ফাৰ্ব না কেন্। আমাৰ দোকানে চাৰ ফাঁচটা মানুষ কাজ কৰে।

লৰা।—তোমাৰে সৈতে যেতিয়া আগৰেপৰা মোৰ চিনাকি, মই আৰু আন মিঠাইওৱলাৰ পৰা মিঠাই নিকিনো। বৰাবৰ তুমি দিব লাগিব দেই। হোৱাঁ, এতিয়া তোমাৰ আগৰ বাকিটো লৈ যোবাঁ। (জেপত হাত সুমাই) এ; মনি-বেগটো ভুলি ঘৰত এৰি থৈ আহিলোঁ হে। কুছ পৰোৱা নাই। কালৈ বাকিটো দি দিম, আৰু এক ৰূপিয়া তোমাক বক্‌চিচ্ দিম দেই।

ছিলটীয়া।—আচ্ছা, বাবা, এক ৰোজ্ দিবা। তোমাৰ ফয়সাৰ জন্ম আমি বয় কৰিনা।

[ প্ৰস্থান।

লৰা।—ছিলটীয়া বুঢ়াক খুব ঠগন ঠগিলোঁ। মোক আৰু সি ক'ত লগ পাব।· আজি দৰবাৰলৈ আহিছোঁ দেখিহে সি চেলাই ধৰিবলৈ পালে। কত মানুহক কত টকা দিবলৈ আছে, সিহঁতে মোক লগকে পোৱা নাই—ইয়াক মুঠে ৰূপ ৫৲ টকা দিবলৈ বাকি আছে, তাতে ইমান কৈ খেচ্‌খেচাইছে। মিঠাইওৱলা বিলাক বৰ দগাবাজ। ছিঃ এনেকুৱা মানুহেৰে কথা হবলৈকে লাজ লাগে। সি মোৰ পৰা পয়চা ভালকৈ পাব, মোনা এটা ছিলাই কৰি থক। যি যেনে মানুহ, তাক তেনেকৈ শিকাব লাগে।

[ প্ৰস্থান।

# সপ্তম অঙ্ক।

## প্ৰথম দৰ্শন।

—:*:—

পৰ্ব্বত।

( এজন নগাৰ প্ৰবেশ। )

গীত।

নগা।—

নিছং হেঙ্গাৰি ছতাও থা, হি হি হি হি।
কেওঁ লেমাওৰানা চাঁদা ওৰাঞ্চ, হো হো হো হো।
নিছং অথে লাদা, হিলি লিলি লিলি লিলি।
লাঙ্গ আতা জেলে উতাও থা, হে হৈ হে হৈ।
নিছং হেতুতোলা অথেল্লাহ্, হেকি লিলি লিলি লিলি
সক লেমা ইতাও থা, হেক্ হেক্ হো,
হো হো হি,
হা হা হা।

( এজন অসমীয়াৰ প্ৰবেশ )

অসমীয়া।—এই হাজি, তইঁত আঙ্গামিনে কি ?

নগা ।—আমি খন অলে লাত্তা নকা। আঙ্গামিটো অলে হৰ কথা জানে দেই। আমি খন কিবা কৰু কিবা কাৰবি লিচিনা আছে। আমি খনক দেখিলে বাবুখনে "যা" "যা" কব। মানু অলে তাত চুলিৰ নিচিনা আছে।

অসমীয়া ।—হাজি, আমি তোমাক লগত লৈ যাব। তুমি ভয় নকৰিব। তুমি ৰজালৈ কি বস্তু আনিছে? ৰজাৰ ওচৰলৈ এনেই যাব নেপায়।

নগা ।—নিমক আনিছে, টকা মণি আনিছে, পেত আনিছে, কাৰবি তাত আনিছে।

অসমীয়া ।—এই বোৰ বস্তু আমাৰ ৰজাক কেলৈ লাগিছে।

নগা—তুমি খনৰ ৰজা কি বাপু মানু। আমি খনৰ ৰজাটোক অলে এই চব দিব দেই।

অসমীয়া—নগা যে নগা, ইহঁত জাতে-পাতে নগা। আহ্, এতিয়া য়াওঁ।

[ প্ৰস্থান।

## দ্বিতীয় দৰ্শন।

### জুপুৰি ঘৰ।

( এজন মৰিয়া আৰু ঘৈণীয়েকৰ প্ৰবেশ। )

মৰিয়া ।—মৰিয়াণী, ৰজাৰ হবা হৈছে, চাবলৈ নেযা নে?

মৰিয়াণী ।—কেনেকুৱা হবা? তাত নো কি হব?

মৰিয়া ।—তই হবাও নজনা হলিনে আৰু? তই জাতে-পাতে মৰিয়াণী অ'।

মৰিয়াণী ।—বাৰু তয়ে হৈন্দুটো হ।

মৰিয়া।—তৌবা, তৌবা! আমি মছলমান মানুহ। কেলৈ তেনে কথা ক?

মৰিয়াণী।—কথাৰ মাত হে কৈছোঁ অ' আমুকাৰ বাপেক। কচোন হেৰ, তাত নো কি হব।

মৰিয়া।—তাত হেঁন্দুবোৰে বৰ হবা পাতিছে, পাই যিহে দীঘল-ডাঙ্গৰ ৰভা পাতিছে, ইমূৰত যদি আমি হালখন পাতি টৌ-কলহটো কুবিয়াওঁ, হি মূৰত তাৰ্ টাংটিং মাত নুহুনেই পাই। হবা খাবলৈ, মৰিয়াণী, পৰ্জা ঠাহ খাব। চাপৰিৰ কোবত হেঁন্দু-বোৰৰ হাত একলেথীয়া হৈ যাব নহয় অ'।

মৰিয়াণী।—এ খোদাই, তলুৱা ফাটি তেজ নোলাৱনে?

মৰিয়া।—হিয়তে তলুৱাত মহৰ চাল একোচটা বান্ধি নিব নহয় অ'—হিয়ত জানো টেটৰ নহয়। আমাৰ মৰিয়া থন হে মুঠে হেবাং।

মৰিয়াণী।—নাম নো লগাই দিব কোনে, হেৰ আমুকাৰ বাপেক?

মৰিয়া।—জিলাৰ বৰ চাহাবেই হেনো নাম লগাই দিব—মুন্সিপ, চিৰ-দাৰ, আমোলা থনে ফেনাফেন্‌কৈ নিব নহয়।

মৰিয়াণী।—হেৰ, তোক সোণামুৱা বুলিছোঁ, মোকো লৈ যা অ'। ময়ো তেনে হলে যাম।

মৰিয়া।—বাৰু হে আৰু। তোক দেখোন, যাবি নে নেযাবি, হুদি-ছিলোঁৱেই। মৰিয়াণী, পাক এটাকে দে, চাই যাওঁ—হবা চাবলৈ গাটো মোৰ ৰঞ্জিৎ ৰঞ্জিৎ কৰিছে।

মৰিয়াণী।—মোৰো পাই গাটো সাতখন আঠখন কৰিছে। নকৰিব নো কেলৈ, চাচোন, আমি নো কেতিয়াবা এনে হবা আৰু দেখিবলৈ পাম নে? তই গীত এটাকে ধৰ্, মই নাচোঁ।

PLEASE HANDLE THE BOOK CAREFULLY.


[ মৰিয়াই গীত গায় আৰু ঘৈণীয়েকে নাচে । ]

ৰাগিণী খাম্বাজ—তাল খেমটা ।

মৰিয়া ।—

মৰিয়াণী, নাচোন ধৰ্ কঁকাল মেচা কৰি,
কেটেপ্ কেটেপ্ ভৰি পেলাই ঠেও ধৰি ধৰি ।
পাকে পাকে হাত ঘূৰা, লাহৰ চেং-চুলি উৰা,
নেওচা পৰক দিল্লীৰ বাই হেঁন্দুৰ অপেচৰী ।

[ দুইৰো প্ৰস্থান ।

## তৃতীয় দৰ্শন ।

স্বৰ্গপুৰী ।

[ দুজন অপ্সৰীৰ প্ৰবেশ । ]

ৰাগিণী খাম্বাজ—তাল একতালা ।

অপ্সৰী ।—

ভাৰতেশ্বৰৰ আজি অভিষেক দিন হে ।
হিয়াত আমাৰ বাজে আনন্দৰ বীণ হে ।
ৰজা ৰাণী দুয়ো জনে, মুকুট পিন্ধিব কেনে,
আহাঁ কৰোঁ পুষ্প-বৃষ্টি, মঙ্গলৰ চিন হে ।

[ পুষ্প বৃষ্টি ।

( পট-সলনি । )

বিজুলী-চকৃমকোৱা মেঘৰ গাত ৰজা আৰু ৰাণীৰ যুগল মূৰ্ত্তি ।

[ দেৱ বাদ্য ।

---

যৱনিকা পতন ।

DISTRICT LIBRARY
(HEM BARUA COLLECTION)
TEZPUR.